ষ্টেট বেংক অৱ ইণ্ডিয়া

বনাম

শ্ৰী য়ুমনাম গৌৰমণি সিং

জুলাই ২০, ১৯৯৩

[ন্যায়াধীশ কুলদীপ সিং আৰু ন্যায়াধীশ পি. বি. সাৱন্ত]

*সাক্ষ্য আইন, ১৮৭২- ধাৰা ৩৪- একাউন্ট বুক(হিচাপৰ খাতা) আৰু অন্যান্য সমৰ্থনমূলক প্ৰমাণৰ নথিভুক্তকৰণ- প্ৰমাণিক মূল্য।*

*সাক্ষ্য আইন, ১৮৭২- ধাৰা ৩- প্ৰমাণৰ উপলব্ধি- একাউন্ট বুক(হিচাপৰ খাতা) আৰু অন্যান্য সমৰ্থনমূলক প্ৰমাণৰ নথিভুক্তকৰণ- প্ৰমাণিক মূল্য।*

আপীলকাৰী-বেংকে উত্তৰদাতাৰ পৰা ৪৪,৮৫২.৩৫ টকা উদ্ধাৰৰ বাবে গোচৰ ৰুজু কৰিছিল।

বিচাৰ আদালতে গোচৰটো আংশিকভাৱে নিষ্পত্তি কৰিছিল। এই নিষ্পত্তিত ধাৰণা কৰিছিল যে, বেংকৰ ২২.০৯.১৯৬০-ৰ পৰা পুনৰোদ্ধাৰৰ সময়লৈকে ৭.৫ শতাংশ হাৰত সুতৰ সৈতে ৯,৯৯২.৯২টকাৰ পুনৰোদ্ধাৰ কৰাৰ অধিকাৰ আছে।

আপীলকাৰী আৰু উত্তৰদাতাসকলে বিচাৰ আদালতৰ নিৰ্দেশৰ বিৰুদ্ধে উচ্চ ন্যায়ালয়ত আবেদন দাখিল কৰিছিল।

উচ্চ ন্যায়ালয়ে এক ঊমৈহতীয়া ৰায়ৰ জৰিয়তে উত্তৰদাতাৰ আপীল গ্ৰহণ কৰে আৰু আবেদনকাৰী-বেংকৰ আপীল নাকচ কৰে। সেয়েহে এই আদালতত বিশেষ অনুমতিৰ জৰিয়তে বেংকটোৱে এই আবেদন দাখিল কৰিছে।

আপীলৰ অনুমতি প্ৰদান কৰি এই আদালতে

উপস্থাপন কৰে, ১.১ বিচাৰ আদালতে বিচাৰ কৰিছিল যে বিৰোধীয়ে ১৫,০০০, ১০,০০০টকা ধাৰ লৈছিল আৰু বেংকৰ সৈতে অভাৰড্ৰাফ্ট একাউন্টৰ সুবিধাও লাভ কৰিছিল, [৩১১-জি]

১.২ উচ্চ ন্যায়ালয়ে বিচাৰ আদালতৰ আগত আপীলকাৰীয়ে দাখিল কৰা একাউন্ট বুকবোৰক প্ৰধানকৈ সমৰ্থন কৰিবলৈ নথিত কোনো প্ৰমাণ নথকাত বিচাৰ আদালতৰ সিদ্ধান্তসমূহ থাৰিজ কৰিছিল। [৩১২-বি-চি]।

১.৩ উচ্চ ন্যায়ালয়ে এই সিদ্ধান্তত উপনীত হোৱাত পেটেন্ট এৰোৰ(ভুল) কৰিছিল যে, একাউন্ট বুকবোৰক সমৰ্থন কৰাৰ কোনো প্ৰমাণ নাই। [৩১২-দি)

একাউন্ট বুকবোৰত প্ৰবিষ্টিৰ উপৰিও উক্ত প্ৰবিষ্টিবোৰ সমৰ্থন কৰিবলৈ নথিত পৰ্যাপ্ত প্ৰমাণ আছিল। বাদী নং ৫, ৭ আৰু ৮-এ তেওঁলোকৰ বিশদ বিবৃতিত একাউন্ট বুকত থকা প্ৰবিষ্টিসমূহক সমৰ্থন কৰিছে। অন্যথা আন সমস্যাত ৩, ৪ আৰু ৭ৰ বিৰুদ্ধে উত্তৰদাতা-বিবাদীয়ে প্ৰতিদ্বন্দ্বিতা কৰা নাছিল। তেওঁৰ লিখিত বিবৃতিত তেওঁ স্বীকাৰ কৰিছিল যে, তেওঁ ষ্টেট বেংক অৰ ইণ্ডিয়াত একত্ৰিত হোৱা মণিপুৰ ষ্টেট বেংকৰ পৰা অভিযোগ কৰা অনুসৰি ঋণ লৈছিল। [৩১৩-ই-এফ]

১.৫ বিচাৰ আদালতে একাউন্ট বুক আৰু অন্যান্য প্ৰমাণমূলক প্ৰমাণৰ আধাৰত এই সিদ্ধান্তত উপনীত হৈছিল যে, আপীলকাৰীয়ে ১৯৬০চনৰ ছেপ্টেম্বৰৰ পৰা উক্ত পৰিমাণ উদ্ধাৰ নোহোৱালৈকে প্ৰতি বছৰে ৭.৫ শতাংশ হাৰত সুতৰ সৈতে ৯,৯৬২.৯১টকাৰ এক ডিক্ৰীৰ অধিকাৰী আছিল। বিচাৰ আদালতৰ সিদ্ধান্তত হস্তক্ষেপ কৰাৰ কোনো ভিত্তি নাই। [৩১৩-জি-এইচ; ৩১৪-এ]

দেৱানী আপীল ক্ষেত্ৰাধিকাৰ- দেৱানী আপীল নং ২৯৬৪- ১৯৮৪।

১৯৭২চনৰ ৮নং প্ৰথম আপীলত গৌহাটী উচ্চ ন্যায়ালয়ৰ ১৯-০৮-১৯৭৭তাৰিখৰ ৰায় আৰু আদেশৰ পৰা উদ্ভৱ।

আপীলকাৰীৰপক্ষত ৰাজীৱ শকধৰ আৰু এছ. এছ. শ্ৰফ (মেচাৰ্চ সুৰেশ এ. শ্ৰফ এণ্ড কোম্পানী হৈ)।

উত্তৰদাতাৰপক্ষত আৰ. পি. সিঙৰ হৈ এ. শৰণ।

আদালতৰ ৰায়দান কৰা হৈছিল।

**ন্যায়াধীশ কুলদীপ সিঙে** কয়, মণিপুৰৰ ইম্ফলত থকা ষ্টেট বেংক অৱ ইণ্ডিয়াই য়ুমনাম গৌৰমণি সিঙৰ পৰা ৪৪,৮৫২.৩৫টকাৰ ধনৰাশি উদ্ধাৰৰ বাবে গোচৰ ৰুজু কৰিছিল। বিচাৰ আদালতে ১৯৭১চনৰ ৩১ডিচেম্বৰৰ তাৰিখৰ ৰায়ৰ জৰিয়তে গোচৰটো আংশিকভাৱে ৰায় দিছিল আৰু কয় যে, বেংকে ১৯৬০চনৰ ২২ছেপ্টেম্বৰৰ পৰা ধন উদ্ধাৰ নোহোৱালৈকে ৭.৫শতাংশ হাৰত সুতত ৯,৯৬২.৯১ টকা ধন আদায় কৰাৰ অধিকাৰ আছে। বিচাৰ আদালতৰ ৰায়ৰ দ্বাৰা ক্ষুব্ধ হৈ বেংকৰ লগতে য়ুমনাম গৌৰমণি সিঙে উচ্চ ন্যায়ালয়ত আপীল দাখিল কৰিছিল। উচ্চ ন্যায়ালয়ে ১৯৭৭চনৰ ১৯আগষ্টৰ এক উমৈহতীয়া ৰায়ৰ জৰিয়তে দুয়োখন আপীল আবেদন নিষ্পত্তি কৰে। উচ্চ ন্যায়ালয়ে য়ুমনাম গৌৰমণি সিঙৰ আবেদন গ্ৰহণ কৰে আৰু বেংকৰ গোচৰটো নাকচ কৰে। ফলস্বৰূপে বেংকটোৱে দাখিল কৰা আপীল আবেদন খাৰিজ কৰা হৈছিল। ষ্টেট বেংক অৱ ইণ্ডিয়াৰ এই আপীল আবেদন উচ্চ ন্যায়ালয়ৰ ৰায়ৰ বিৰুদ্ধে আছিল।

বিচাৰ আদালতৰ দ্বাৰা দহটা বিষয় গঠন কৰা হৈছিল। বিষয় নং ৩, ৪ আৰু ৭ তলত দিয়া ধৰণৰ আছিলঃ

"৩. বিবাদীয়ে মণিপুৰ ষ্টেট বেংক লিমিটেডৰ পৰা ১৫,০০০টকা ১৬-০৩-১৯৫৪ত ১০,০০০টকা ১৯-০৯-১৯৫৫ত আৰু ৯৪৩৮/৩/২টকা ২১-১২-১৯৫৬ত ঋণ লৈছিল নেকি আৰু ৯৪৩৮/৩/২টকা ২১-১২-১৯৫৬ত ডেবিট বেলেন্স দেখুৱাই ড্র আৰু অভাৰড্ৰাফ্ট কৰিছিল নেকি?

৪. বিবাদীয়ে বাদীৰ দ্বাৰা দাখিল কৰা একাউন্টত সামৰি লোৱা হোৱা নাই বুলি ১১,৩০০টকা পৰিশোধ কৰিছে নেকি?

৫. অভিযান্ত্রিক নিগমৰ অংশীদাৰসকলে পৰিশোধ কৰিবলগীয়া ঋণৰ বাবে বিবাদী দায়বদ্ধ নহয় নেকি?"

বিচাৰ আদালতে ওপৰত উল্লেখ কৰা বিষয়বোৰ নিম্নলিখিত ধৰণে বিবেচনা কৰিছিলঃ

"*বিষয় নং ৩, ৪ আৰু ৭.* বাদীৰ বিদ্বান পৰামৰ্শদাতাই এই বিষয়বোৰত জোৰ দিয়া নাছিল, তদুপৰি বিবাদীয়ে তেওঁৰ লিখিত বিবৃতিত স্বীকাৰ কৰে যে, তেওঁ মণিপুৰ ষ্টেট বেংকৰ পৰা উক্ত ৩টা ঋণ লৈছিল। তদুপৰি, বিবাদীয়ে ইতিমধ্যে ওপৰোক্ত ঋণসমূহৰ বিপৰীতে ১১,৩০০টকা পৰিশোধ কৰা হৈছে বুলি দেখুৱাবলৈ প্ৰমাণো দিয়া নাছিল। পুনৰ Ext. এ/২, এ/৩ আৰু এ/৪-য়ে দেখুৱায় যে, বিবাদীয়ে তেওঁৰ ব্যক্তিগত ক্ষমতাত তেওঁৰ সম্পত্তি বন্ধক ৰাখি ওপৰোক্ত সুবিধা লৈছিল। ইয়াৰ উপৰিও promissory note (প্ৰতিশ্ৰুতি পত্ৰ) Ext. এ/৯, এ/৮ আৰু letters of continuity (ধাৰাবাহিকতাৰ চিঠি), Ext. এ/১০, এ/৭-য়ে এইটোও দেখুৱায় যে, ঋণ পৰিশোধৰ বাবে বিবাদী ব্যক্তিগতভাৱে দায়বদ্ধ। সেয়েহে, ইঞ্জিনিয়াৰিং কৰ্পোৰেচনৰ অংশীদাৰসকলক উক্ত ঋণসমূহ পৰিশোধৰ বাবে দায়বদ্ধ কৰিব নোৱাৰি। সেয়েহে তিনিওটা বিষয়তে বিবাদীৰ বিৰুদ্ধে সিদ্ধান্ত লোৱা হয়।"

সেয়েহে এইটো স্পষ্ট যে, বিচাৰ আদালতে আপীলকাৰী-বাদীৰ পক্ষত ৩, ৪ আৰু ৭নং বিষয়ৰ সিদ্ধান্ত লয় আৰু কয় যে, উত্তৰদাতা -বিবাদীয়ে ১৫,০০০টকা, ১০,০০০টকা ধাৰ লৈছিল আৰু বেংকৰ সৈতে অভাৰড্ৰাফ্ট কাৰেণ্ট একাউন্টৰ সুবিধাও লাভ কৰিছিল। বিচাৰ আদালতে গোচৰটো তলত উল্লেখ কৰা চৰ্তত নিষ্পত্তি কৰিছিলঃ

"মোৰ অনুসন্ধানৰ প্ৰতি লক্ষ্য ৰাখি, উপৰোক্ত বিষয়ত বাদীয়ে ৫৬,০৪৭.৫২টকা(২ছেপ্টেম্বৰ, ১৯৬০লৈকে ঋণ আৰু সুতৰ পৰিমান) ঋণ পৰিশোধৰ বাবে বাধ্য, ঋণ পৰিশোধকাৰীয়ে ইতিমধ্যে পৰিশোধ কৰা পৰিমাণটো হ্ৰাস কৰি। অভিযোগৰ সূচী অনুসৰি বিৰোধীয়ে ইতিমধ্যে ৪৬,০৮৪.৬২টকা পৰিশোধ কৰিছিল। সেয়েহে বাদীজনে ২২.০৯.৬০ৰ পৰা "প্ৰয়োজনীয় আদালতৰ মাচুল পৰিশোধ কৰি বিৰোধীৰ পৰা উক্ত পৰিমাণৰ সৰ্বাধিক ধন আদায় কৰাৰ" সময়ৰ বাবে প্ৰতি বছৰে ৭.৫শতাংশ হাৰত ৯,৯৬২.৯১টকা ধন আদায় কৰিবলৈ দায়বদ্ধ।"

উচ্চ ন্যায়ালয়ে বিচাৰ আদালতৰ ফলাফলসমূহ প্ৰাথমিকভাৱে এই ভিত্তিত সলনি কৰিছিল যে, বিচাৰ আদালতৰ আগত আপীলকাৰীয়ে দাখিল কৰা একাউন্টৰ খাতাবোৰক সমৰ্থন কৰিবলৈ নথিত কোনো প্ৰমাণ নাই। সাক্ষ্য আইনৰ ৩৪নং ধাৰা নিৰ্ভৰ কৰি উচ্চ ন্যায়ালয়ে কয় যে, কেৱল একাউন্ট বুকত থকা তথ্যসমূহ উত্তৰদাতাক দায়বদ্ধ বুলি অভিযুক্ত কৰিবলৈ পৰ্যাপ্ত নহয়। উচ্চ ন্যায়ালয়ে লগতে কয় যে, যিহেতু একাউন্ট বুকত প্ৰবিষ্টিৰ সমৰ্থন কৰিবলৈ ৰেকৰ্ডত কোনো প্ৰমাণ নাই, সেয়েহে উত্তৰদাতাৰ বিৰুদ্ধে গোচৰটো প্ৰমাণিত হোৱা নাছিল। আমি উচ্চ ন্যায়ালয়ৰ সৈতে একমত নহয়। আমাৰ অভিমত যে, উচ্চ ন্যায়ালয়ে এই সিদ্ধান্তত উপনীত হোৱাত পেটেন্ট এৰোৰ(ভুল) কৰিছিল যে, একাউন্টৰ খাতাবোৰক সমৰ্থন

কৰাৰ কোনো প্ৰমাণ নাছিল। উচ্চ ন্যায়ালয়ে নিজেই আলোচনা কৰিছিলঃ একাউন্টৰ খাতাৰ বাহিৰে আন প্ৰমাণবোৰ তলত দিয়া ধৰণৰঃ

"তাৎক্ষণিক গোচৰটোত, বাদী নং ৫, ৭ আৰু ৮-ৰ সাক্ষ্য হৈছে- বিষয়টোৰ ওপৰত বস্তুগত প্ৰমাণ, যি প্ৰাসংগিক সময়ত মণিপুৰ ষ্টেট বেংকৰ জেনেৰেল মেনেজাৰ আছিল। তেওঁ বিবাদীৰ দ্বাৰা ১৫,০০০টকাৰ ঋণৰ বাবে কৰা আবেদনখন সত্য বুলি প্ৰমাণ কৰে যাৰ বাবে তেওঁ এক মৰ্টগেজ দিদ(বন্ধক দলিল)Ext. এ/৩ কৰিছিল। তাৰোপৰি, তেওঁ প্ৰোনোট Ext.এ/৮ আৰু লেটাৰ অৱ কনটিনিউটি Ext.এ/৮-ক সত্য বুলি প্ৰমাণ কৰিছে, যি কেইখন বিবাদীয়ে উপৰোক্ত পৰিমাণৰ ক্ষেত্ৰত সুৰক্ষাৰ জৰিয়তে কাৰ্যকৰী কৰিছিল। একেদৰে, তেওঁ বিবাদীৰ ১০,০০০টকাৰ আন এক আবেদন সত্য বুলি প্ৰমাণ কৰে, য'ত তেওঁ অনুমোদিত কৰে আৰু যাৰ বাবে বিবাদীয়ে মৰ্টগেজ দিদ(বন্ধক দলিল)Ext. এ/২ আৰু প্ৰোনোট Ext.এ/৮ আৰু লেটাৰ অৱ কনটিনিউটি Ext.এ/৮ কৰিছিল। তেওঁ আৰু প্ৰমাণ কৰে যে, ১০,০০০টকাৰ ঋণৰ ক্ষেত্ৰত এটা ঋণ একাউন্ট খোলা হৈছিল আৰু তেওঁ লগতে সত্য বুলি প্ৰমাণ কৰে যে, Exts. এ/১৩, এ/১৪ আৰু এ/১৫ হৈছে- ষ্টেট বেংক অৱ মণিপুৰত বিবাদীৰ ঋণ একাউন্টৰ প্ৰতিলিপি। একাউন্টটোৰ ওপৰত লিপিবদ্ধ কৰা হৈছে যে, "সীমা ১৫,০০০টকা"। এক্স. এ/১৪ হৈছে মণিপুৰ ষ্টেট বেংকৰ উত্তৰদাতাৰ ঋণ পঞ্জীয়নৰ এক প্ৰতিলিপি। -একাউন্টৰ ওপৰত উল্লেখ কৰা হৈছেঃ "সীমা ১০,০০০টকা"। Ext.এ/১৫ হৈছে- বিবাদীৰ মণিপুৰ ষ্টেট বেংকৰ কাৰেন্ট একাউন্ট লেজাৰৰ এটা প্ৰতিলিপি।

বাদী নং ৫, ইম্ফলত থকা ষ্টেট বেংক অৱ ইণ্ডিয়াৰ এজন কৰ্মচাৰী। সেই সময়ত তেওঁ মণিপুৰ ষ্টেট বেংকৰ কৰ্মচাৰী আছিল। তেওঁ বিবাদীৰ Ext.এ/৭- ঋণৰ একোমোদেচনৰ আবেদন সত্য বুলি প্ৰমাণ কৰে, লগতে

সংশ্লিষ্ট Ext.এ/৯ প্ৰমিচৰিনোট, Ext.এ/১০ লেটাৰ অৱ কনটিনিউটি। একেদৰে, তেওঁ বিবাদীৰ আন এক আবেদন সত্য বুলি প্ৰমাণ কৰে যাৰ জৰিয়তে সুৰক্ষা স্বৰূপ তেওঁ Ext.এ/৪ মৰ্টগেজ দিদ, Ext.এ/১১ প্ৰমিচৰিনোট, Ext.এ/১২ লেটাৰ অৱ কনটিনিউটিৰ সহিতে বিবাদীৰ ১৫,০০০টকাৰ ঋণৰ একোমোদেচনৰ আবেদন সত্য বুলি প্ৰমাণ কৰে।

বাদী নং ৭ হৈছে ষ্টেট বেংক অৱ ইণ্ডিয়াৰ উন্নয়ন বিষয়া। তেওঁ দাবী কৰে যে, তেওঁ বিবাদীৰ ক্ষেত্ৰত মণিপুৰ ষ্টেট বেংকৰ একাউন্ট হিচাপে Exts.এ/১৩, এ/১৪ আৰু এ/১৫ প্ৰমাণিত কৰিছে। কোৱা হয় যে, Exts.এ/১৩, এ/১৪ আৰু এ/১৫ তেওঁৰ দ্বাৰা বা তেওঁৰ তত্বাৱধানত প্ৰস্তুত কৰা হোৱা নাছিল।

সেয়েহে এইকথা স্পষ্ট যে, একাউন্ট বুকৰ প্ৰবিষ্টিৰ বাহিৰেও উক্ত প্ৰবিষ্টিবোৰ প্ৰমাণ কৰিবলৈ নথিত পৰ্যাপ্ত প্ৰমাণ আছিল। বাদী নং ৫, ৭ আৰু ৮-য়ে তেওঁলোকৰ বিশদ সাক্ষ্যত একাউন্ট বুকত থকা প্ৰবিষ্টিসমূহক সমৰ্থন কৰিছে। তথাপিও, ৩, ৪ আৰু ৭ নং বিষয়সমূহৰ বিৰুদ্ধে উত্তৰদাতা-বিৰোধীয়ে প্ৰতিদ্বন্দ্বিতা কৰা নাছিল। তেওঁৰ লিখিত বিবৃতিত তেওঁ স্বীকাৰ কৰিছিল যে, তেওঁ মণিপুৰ ষ্টেট বেংকৰ পৰা অভিযোগ কৃত ঋণ লৈছিল, যিটো বেংক ষ্টেট বেংক অৱ ইণ্ডিয়াত একত্ৰিত হৈছে।

আপীলকাৰী-বেংকৰ বিদ্বান পৰামৰ্শদাতাই লগতে দাবী কৰিছিল যে, বিচাৰ আদালতে বেংকৰ দ্বাৰা দাবী কৰা ৪৪,৮৫২৩৪টকাৰ পৰিৱৰ্তে ৯,৯৬২.৯১টকাৰ বাবে ডিক্ৰী প্ৰদান কৰাটো ন্যায়সঙ্গত নহয়। আমি বিদ্বান পৰামৰ্শদাতাৰ সৈতে একমত নহয়। বিচাৰ আদালতে একাউন্টৰ খাতা আৰু অন্যান্য সমৰ্থনমূলক প্ৰমাণৰ ওপৰত ভিত্তি কৰি এই সিদ্ধান্তত উপনীত হৈছিল যে, আপীলকাৰীজনে ১৯৬০চনৰ ছেপ্টেম্বৰৰ পৰা উক্ত পৰিমাণটো

উদ্ধাৰ নোহোৱালৈকে প্ৰতি বছৰে ৭.৫শতাংশ হাৰত সুতৰ সৈতে ৯,৯৬২.৯১টকাৰ ডিক্ৰীৰ অধিকাৰী আছিল। বিচাৰ আদালতৰ বিচাৰত হস্তক্ষেপ কৰাৰ কোনো ভিত্তি আমি দেখা নাই।

আমি আপীলৰ অনুমতি দিওঁ, উচ্চ ন্যায়ালয়ৰ ৰায় বাতিল কৰোঁ আৰু ১৯৭১চনৰ ৩১ডিচেম্বৰৰ বিচাৰ আদালতৰ ৰায় পুনৰুদ্ধাৰ কৰোঁ। আমি বিচাৰ আদালতৰ ৰায়ৰ ভিত্তিত বাদীৰ গোচৰটোৰ নিৰ্দেশ দিওঁ। আপীলকাৰীৰ খৰচৰ অধিকাৰ থাকিব যি আমি ৫,০০০টকা হিচাপে নিৰ্ধাৰণ কৰোঁ।

ভি.পি.আৰ.

আপীলৰ অনুমতি দিয়া হৈছে।

.......................................................................

অনুবাদ: ড. অৰ্চনা দেৱী, কনিষ্ঠবৰ্গ অনুবাদক,অনুবাদ শাখা,গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ

কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ'ব।"

....................